DAILY ASSAM

# লাচিত ফুকন

**দেৱকান্ত বৰুৱা**

### পাঠটো নিৰ্বাচন কৰাৰ উদ্দেশ্য ঃ

অসমীয়া ৰোমাণ্টিক কবিতাৰ শেষৰজনা শক্তিশালী কবি হিচাপে দেৱকান্ত বৰুৱাৰ এখনি সুকীয়া আসন আছে। অসমীয়া ৰোমাণ্টিক কবিতাক কবি দেৱকান্ত বৰুৱাই এক নতুন আয়তন দি গৈছে। প্ৰেমৰ কবিতাৰ বাহিৰেও স্বদেশৰ গুণ-গৰিমা, অতীত কীৰ্তি-কাহিনী সুঁৱৰি ৰচনা কৰা কবিৰ কেইটামান কবিতাও আছে। মন কৰিবলগীয়া কথা এয়ে যে, এই কবিতাসমূহত অতীতৰ সোঁৱৰণৰ লগতে সেই সময়ৰ সমাজ জীৱনৰ দুখলগা সামাজিক অৱস্থাৰ প্ৰতি এটি ব্যংগ ভাৱৰো প্ৰকাশ ঘটিছে। কবি বৰুৱাদেৱৰ স্বদেশৰ প্ৰতি থকা অনুৰাগ 'লাচিত বৰফুকন' কবিতাটিৰ মাজেৰে প্ৰকাশিত হৈছে। ছাত্ৰ-ছাত্ৰীক স্বদেশপ্ৰেমমূলক কবিতাৰ সোৱাদ দিয়াৰ উদ্দেশ্যে 'লাচিত ফুকন' কবিতাটো পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে।

### কবি পৰিচিতি ঃ

আধুনিক অসমীয়া কবিতাৰ 'দুৱাৰ মুকলি কৰোঁতা' বুলি খ্যাত দেৱকান্ত বৰুৱাৰ (১৯১৪-৯৬) জন্ম হয় নগাঁৱত। 'সাগৰ দেখিছা' তেওঁৰ একমাত্ৰ কবিতা পুথি। এই পুথিখনৰ জৰিয়তে বৰুৱাই অসমীয়া কাব্যজগতত এক সুকীয়া আসন লাভ কৰি আছে। 'জোনাকী' আলোচনীৰ পাতত আৰম্ভ হোৱা অসমীয়া ৰোমাণ্টিক কাব্যধাৰাই দেৱকান্ত বৰুৱাৰ হাততে ভাৱঘন বিস্তৃতি আৰু পৰিণতি লাভ কৰে বুলি কোৱা হয়।

অসমীয়া কবিতাত পোন প্ৰথমবাৰৰ বাবে দেৱকান্ত বৰুৱাই সাৰ্থকভাৱে দৈনন্দিন জীৱনৰ কথিত ভাষাৰ ৰূপ প্ৰয়োগ কৰে। তদুপৰি ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ নাটকীয় স্বগতোক্তিৰ শৈলী কবিতাত প্ৰয়োগ কৰি তেওঁ অসমীয়া কবিতাক নতুন পথৰ সন্ধান দিয়ে। ৰোমাণ্টিক যুগৰ শেষ আৰু আধুনিক কবিতাৰ দুৱাৰডলিৰ কবি বাবেই দেৱকান্ত বৰুৱাক 'দোমোজাৰ কবি' বুলিও কোৱা হয়। তেওঁৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাতেই প্ৰথম আধুনিকতাৰ প্ৰতিধ্বনি শুনা যায়।

কবি হোৱাৰ উপৰি দেৱকান্ত বৰুৱা এজন সফল ৰাজনীতিবিদো। অসম বিধানসভা আৰু ভাৰতৰ লোকসভালৈ নিৰ্বাচিত হৈ তেওঁ মন্ত্ৰিত্বও লাভ কৰিছিল।

'লাচিত ফুকন' এটা বীৰত্বব্যঞ্জক দেশপ্ৰেমমূলক কবিতা।

**মূল পাঠ ঃ**

লাচিত ফুকন! লাচিত ফুকন! মোৰ স্বদেশৰ বীৰ!
দেশৰ কাৰণে তাহানি এদিন যাচিলা নিজৰ শিৰ।
দেশৰ কাৰণে, মুক্তিৰ হকে, অন্যায় ৰোধি বীৰ!
নৱ-শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ।
দেশৰ কাৰণে শুনিলা এদিন মৃত্যুৰ আৱাহন,
জাতিৰ বুকুত জগাই তুলিলা দুৰ্মদ যৌৱন।

পছোৱা বিনাই যায়,
তাৰ আঁৰে আঁৰে কৰুণ সুৰেৰে কোনে যেন কয়, "হায়
এয়ে সি বিৰাট গড়,
যি ঠাই এদিন বলিশাল হ'ল অপৰাধী মাতুলৰ।"
শুনিছোঁ বন্ধু! ইব্ৰাহিমৰ কাহিনী বীৰত্বৰ,
দেৱতাৰ হকে পুত্ৰবুকুত হানিছিল খঞ্জৰ।

সিদিনা আহিল দেৱদূত নামি দূৰ সৰগৰ পৰা,
পুত্ৰহন্তাৰ নামতে আজিও গৌৰৱময়ী ধৰা।
হে অসমৰ ত্যাগৰ মূৰ্তি! মাতুল-ঘাতক নবী!
তোমাৰ আৰতি কৰিলে সিদিনা অসম-ভাগ্য-ৰবি।

দেশৰ বাতৰি শুনিবানে বীৰ? নিদিওঁ তোমাক ফাঁকি,
তোমাৰ অসম নাই আৰু আজি জঁকাটোহে তাৰ বাকী।
লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া,
মৰি-হজি ঢুকাল সকলো, চিনচাব নাইকিয়া।
'অসমৰ এই কাম্যভূমিত' চৰিছে গাধৰ পাল,
বোজা বই বই পৰিল কঁকাল পিঠিৰ ছিগিল ছাল।
তেওতো অকণো কাণসাৰ নাই, কত যে ৰঙেৰে চৰে,
এমুঠি দানাৰ কাৰণে সকলো প্ৰভুৰ পিছত লৰে।
প্ৰভুৰ কাষত কামৰ মূল্য, চৰ, ভুকু, কিল পায়,
তাতো যে সবেও পায় আনন্দ, নিৰুপায়! নিৰুপায়!
হায় সময়ৰ সোঁত,
সিংহৰ হ'ল সন্তান গাধ, অদ্ভুত! অদ্ভুত!

আনফালে সউ আপোন অন্ধ নকল-নবীছ দল,
মুক্তি ৰণৰ মক্‌ফাইট কৰি ফাঁকিৰ আনিছে ঢল।

পিয়ানো বজাই পূজাৰ আৰতি, বেদীত মমৰ বাতি
জ্বলাই আনিব দেশৰ মুক্তি, পুৱাব দুখৰ ৰাতি!
দেশ-জননীয়ে বিনায় শোকত শুনি এই আৱাহন,
মুক্তি পলাল দেখিয়ে পূজাৰ অদ্ভুত আয়োজন।

স্বদেশ প্ৰেমৰ কোৱাল সোঁতত দেশ আজি টলমল,
স্বদেশৰ গছ, স্বদেশৰ শিল, স্বদেশৰ বাঁহতল,
সকলোতে আজি স্বদেশী কবিৰ কবি-অন্তৰ জাগে,
দেশৰ মানুহ নেখাই মৰিছে সন্ধান কোনে ৰাখে?

বাহিৰত সউ ঘটে বিপ্লৱ; অশেষ যত্ন কৰি
আমি নিৰ্দ্ধাপিলোঁ, কানিৰ মূল্য, কিমানত কেই ভৰি!
শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথোঁ থিত
মৰ-আঁউসীত হাল বালে লাগে কেই ধেনু পৰাচিত?
ত্ৰিশ দিন আৰু এঘাৰ দিনৰ গচকত হায় পৰি,
দুখুনী অসম জননীৰ দেহি কোঙা হ'ল হাত-ভৰি।
বক্তৃতা দি আকাশ কঁপাই, চিঞৰৰত টেঁটু ফালি,
বাঁহৰ কামীত চূণ সানি লৈ ধৰোঁ আমি ৰণছালি।

বছৰি বছৰি স্মৃতি সভা পাতি বীৰপূজা কৰি বীৰ! তোমাৰ
হাবাথুৰি খাওঁ বিচাৰি চাকৰি আবগাৰী দাৰোগাৰ।
এয়ে সি অসম দেশ,
দুখৰ কাহিনী কিমান শুনিবা? নপৰিব তাৰ শেষ।
দেশৰ মানুহ! তুমিতো বুজিছা স্বদেশৰ এই গ্লানি,
তুমিতো দেখিছা মৰণৰ ছাঁ অসম আকাশ ছানি।

স্বদেশ পূজাৰ মন্দিৰ যাৰ কেৱল লোকেল ব'ৰ্ড,
জ্ঞান সাগৰৰ দুইপাৰ যাৰ চিভিল-পিনাল-ক'ড,
মন্ত্ৰিত্ব যাৰ শেষ কল্পনা, এছেমব্লী যাৰ আশা,
সিনো কি বুজিব হে বীৰ! তোমাৰ ৰণ-দুৰ্মদ ভাষা?

দেশৰ কাৰণে আজিও বিনায় হেজাৰ ডেকাৰ হিয়া,
দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দিয়া,
আকউ এবাৰ শুনোৱা তোমাৰ ৰণ-আহ্বান-বাণী,
আকউ এবাৰ ৰঙা কৰি মৰোঁ লুইতৰ বগাপানী।

**কঠিন শব্দৰ অৰ্থ ঃ**

মাতুল — মামা, মোমাই।
জয়শ্ৰী — শত্ৰুক পৰাজয় কৰাৰ পৰা হোৱা সৌভাগ্য বা মান।
দুৰ্মদ — অতি পৰাক্ৰমী, দুৰ্ধৰ্ষ।
খঞ্জৰ — তৰোৱাল।
নবী — ঈশ্বৰৰ বাণী বহন কৰি আনোতা, মহাপুৰুষ।
নকল-নবীছ — আৰ্হি চাই কাকত আদি লেখা কেৰাণী।
মক্‌ফাইট — ব্যংগ যুঁজ।
টলমল — ইফাল-সিফাল কৰা, অস্থিৰ দীপ্তি, জ্বলমল।
ভৰি — এতোলা পৰিমাণ (সোণ-ৰূপ আদিৰ জোখৰ ক্ষেত্ৰত ব্যৱহাৰ হয়)।
থিত — স্থিৰ, ধীৰ, স্থিতি, অৱস্থান।
কোঙা — হাত-ভৰি লৰাই ফুৰিব নোৱৰা।
আবগাৰী — আবকাৰী, মদ বা ৰাগিয়াল বস্তু সম্পৰ্কীয়।
গ্লানি — অপযশ, বদনাম, কলংক।
ছানি — বিয়পি পৰা।
লোকেল ব'ৰ্ড — চহৰৰ প্ৰশাসনৰ বাবে গঠন কৰা স্থানীয় প্ৰশাসনিক গোট।
চিভিল-পিনাল-ক'ড — দেৱানী দণ্ডবিধি আইন।

ইব্ৰাহিমৰ কাহিনী — ইব্ৰাহিম বা আব্ৰাহম হ'ল বাইবেল আৰু কোৰাণত উল্লেখ থকা এগৰাকী ঈশ্বৰৰ দূত বা নবী। ঈশ্বৰে সপোনত দিয়া নির্দেশ মতে তেওঁ নিজ পুত্ৰ ইছমাইলক কোৰবাণি বা বলিদান দিছিল। অৱশ্যে, ঈশ্বৰে ইব্ৰাহিমৰ ত্যাগৰ পৰীক্ষাহে লৈছিল। গতিকে ইছমাইলৰ মৃত্যু হোৱা নাছিল। বলিদান থলীত এটি ভেৰাৰ মৃতদেহহে দেখা গৈছিল। মহাভাৰতৰ চৰিত্ৰ মহাবীৰ কৰ্ণৰো সদৃশ ত্যাগৰ কাহিনী এটা প্ৰচলিত আছে।

## আৰ্হি প্ৰশ্ন

**(ক) অতি চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ১)

১। দেৱকান্ত বৰুৱা অসমীয়া কাব্য জগতত কি কবি হিচাপে জনাজাত?

২। দেৱকান্ত বৰুৱাৰ একমাত্ৰ কাব্যপুথিখনৰ নাম কি?

৩। দেৱকান্ত বৰুৱাৰ কোনটো কবিতাত প্ৰথমে আধুনিকতাৰ প্ৰতিধ্বনি শুনা যায়?

৪। 'দেশৰ বাতৰি শুনিবানে বীৰ'— ইয়াত বীৰ বুলি কাৰ কথা কোৱা হৈছে?

৫। 'নৱ শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ'— জয়শ্ৰী মানে কি?

**(খ) চমু প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক—২ অথবা ৩)

১। দেৱকান্ত বৰুৱাৰ কবিতাত কোনগৰাকী ইংৰাজ কবিৰ কবিতাৰ প্ৰভাৱ দেখা যায়? সেই ইংৰাজ কবিগৰাকীৰ কাব্যিক শৈলীক কি শৈলী বুলি কোৱা হয়?

২। ইব্ৰাহিম কোন আছিল? তেওঁ কি বীৰত্ব প্ৰদৰ্শন কৰিছিল?

৩। 'অসমৰ এই কাম্যভূমিত চৰিছে গাধৰ পাল'— ইয়াত গাধৰ পাল বুলি কবিয়ে কাক বুজাইছে?

৪। 'হে অসমৰ ত্যাগৰ মূৰ্তি! মাতুল-ঘাতক-নবী'— ইয়াত কাক কিয় মাতুল ঘাতক নবী বুলি কৈছে?

৫। দেশ জননীৰ পূজাৰ কেনে আয়োজন দেখি 'মুক্তি পলাল' বুলি কবিয়ে কৈছে?

(গ) **দীঘল প্ৰশ্ন** (প্ৰতিটো প্ৰশ্নৰ মূল্যাংক— ৪ অথবা ৫)

১। 'লাচিত ফুকন' কবিতাটিত কেনেধৰণৰ চিন্তা কৰ্মই সমাজ ব্যৱস্থা সোলোক-ঢোলোক কৰিছে বুলি কোৱা হৈছে?

২। 'লাচিত ফুকন' কবিতাটিত কবিয়ে কেনেধৰণৰ দেশপ্ৰেমক ভুৱা দেশপ্ৰেম বুলি কৈছে?

৩। 'লাচিত ফুকন' কবিতাটোত কবিয়ে 'দেশৰ বাতৰি শুনিবানে বীৰ' বুলি কৈ কি কি বাতৰি দিছে?

৪। 'লাচিত ফুকন' কবিতাটিৰ মাজেৰে কবিৰ স্বদেশপ্ৰেম কিদৰে পৰিস্ফুট হৈছে আলোচনা কৰা।

৫। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ

(ক) বক্তৃতা দি আকাশ কঁপাই, চিঞৰত টেঁটু ফালি,
বাঁহৰ কামীত চূণ সানি লৈ ধৰোঁ আমি ৰণছালি।

**পাঠবোধ ঃ**

আহোম সেনাপতি বীৰ লাচিতৰ সাহস আৰু দেশপ্ৰেমৰ কাহিনী সৰ্বজনবিদিত। দেশৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ কাৰণে নিজৰ মোমায়েকৰ জীৱনকো বলিদান দিবলৈ কুণ্ঠাবোধ নকৰা লাচিতৰ নাম অসম বুৰঞ্জীত সোণালী আখৰেৰে লিখা আছে। কবিতাটোত কবিয়ে লাচিতৰ সেই

দুৰ্মদ বীৰত্বৰ কথা সুঁৱৰি, দেশৰ কাৰণে, দহৰ কাৰণে মৃত্যুৰ আৱাহন শুনি, জাতিৰ বুকুত দুৰ্মদ যৌৱন জগাই তোলাৰ কথা স্মৰণ কৰিছে। মোমাইকটা গঁড়ে আজিও সোঁৱৰায় লাচিতৰ ত্যাগ আৰু বীৰত্বৰ কাহিনী— ঠিক পুত্ৰৰ বুকুত দেৱতাৰ অৰ্থে খঞ্জৰ বহুওৱা ইব্ৰাহিমৰ বীৰত্বৰ কাহিনীৰ দৰে।

'লাচিতৰ বীৰত্বৰ কাহিনী স্মৰণৰ প্ৰসংগত কবিয়ে সমসাময়িক অসমৰ অৱক্ষয়ৰ এখন ছবিও দাঙি ধৰিছে। লুইতৰ বিশাল পাৰত যে আজি অসমৰ জঁকাটোহে বাকী আছেগৈ আৰু বীৰ অসমীয়াৰ কোনো চিন-চাব নোহোৱা হৈ 'গাধৰ পাল'হে বাকী ৰৈছেগৈ— আক্ষেপেৰে, ক্ষোভেৰে সেই কথা প্ৰকাশ কৰিছে। নিজস্ব বৈশিষ্ট্য, স্বকীয়তা সকলো বাদ দি নকল-নবীছ হৈ দেশৰ মুক্তিৰ বাবে যি অদ্ভুত আয়োজন চলাইছে, সেই আয়োজন দেখি-শুনি দেশ জননীয়ে শোকতে বিনাবলৈহে ধৰিছে। ভুৱা স্বদেশ প্ৰেমৰ কোবাল সোঁতত দেশ টলমল হৈ পৰিছে। বাহিৰত দেখুৱাই বিপ্লৱ কৰিলেও ভিতৰি অন্ধ ৰীতি-নীতিৰ কবলত পৰি সমাজ ব্যৱস্থা কোঙা কৰি পেলাইছে। সকলো ব্যস্ত কেৱল কানিৰ মূল্য নিৰূপণ কৰাত, মৰ-আঁউসীত হাল বালে কেই ধেনু পৰাচিত হ'ব লাগে, মৃতকৰ কাজ-কৰ্ম-ব্ৰত ১১ দিনীয়া নে ৩০ দিনীয়া হ'ব— তেনে অৰ্থহীন কৰ্মৰ বিচাৰ কৰাত। কেৱল বক্তৃতাৰে আকাশ কঁপোৱা অসমীয়াই এতিয়া বাঁহৰ কামীত চূণ সানি লৈহে ৰণচালি ধৰে। বছৰি বছৰি বীৰপূজা পতা অসমীয়াই কেৱল মাত্ৰ নিজ স্বাৰ্থ পূৰণৰ বাবেহে আজি হাবাথুৰি খায়। স্বদেশ পূজা মানে যি কেৱল লোকেল ব'ৰ্ডৰ সদস্য হোৱাকে বুজে, মন্ত্ৰিত্বই যাৰ শেষ কল্পনা, এছেম্বলীয়েই যাৰ আশা— তেনে অসমীয়াই লাচিতৰ ৰণ-দুৰ্মদ ভাষা বুজিবলৈ জানো সক্ষম হ'ব? কিন্তু তাৰ মাজতো লাচিতৰ সাহ তেজত প্ৰবাহিত এচাম ডেকা এতিয়াও আছে— যি এবাৰ হুকুম পালেই স্বদেশ ৰক্ষাৰ বাবে লুইতৰ বগা পানী ৰঙা কৰি তুলিব পাৰে। প্ৰয়োজন মাথোঁ লাচিতৰ দৰে এজন সাহসী সেনাপতিৰ।

**ওপৰঞ্চি তথ্য ঃ**

অসমীয়া সাহিত্যত দেশপ্ৰেমমূলক কবিতাৰ এটি সমৃদ্ধ ধাৰা পৰিলক্ষিত হয়। ৰোমাণ্টিক স্তৰৰ কবিসকলে দেশৰ গৌৰৱময় অতীত অথবা কোনো বীৰ বা বীৰত্বব্যঞ্জক ঐতিহাসিক ঘটনাক লৈ দেশপ্ৰেমমূলক কবিতা ৰচনা কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত অসমীয়া ভাষাত বহুতো দেশপ্ৰেমমূলক গীত আৰু কবিতাৰ সৃষ্টি হৈছিল।

**শিক্ষকৰ প্ৰতি ঃ**

১। লাচিত বৰফুকনৰ বীৰত্বৰ কাহিনী অলপ বিস্তাৰিতভাৱে ক'ব।

২। ইব্ৰাহিমৰ কাহিনীটো ছাত্ৰ-ছাত্ৰীক বহলাই ক'ব।

৩। নাটকীয় স্বগতোক্তি সম্পৰ্কে আভাস দিব।